মল্লিকানাগ

(উপন্যাস)

পঞ্চম সংস্কৰণ

GOVT. OF ASSAM … DIRECTORATE OF LIBRARY SERVICES
Call No.

ধনচন্দ্ৰ দাস

জননী প্ৰকাশন
পানবজাৰ : গুৱাহাটী—১
অসম

[illegible]

(উপন্যাস)

—প্ৰথম সংস্কৰণ—

ডিচেম্বৰ, ইং ১৯৬৯ চন

—দ্বিতীয় সস্কৰণ—

অক্টোবৰ, ইং ১৯৭১ চন

—তৃতীয় সংস্কৰণ—

নৱেম্বৰ, ইং ১৯৭৪ চন

—চতুৰ্থ সংস্কৰণ—

মাৰ্চ্চ ইং ১৯৭৬ চন

—পঞ্চম সংস্কৰণ—

অক্টোবৰ, ইং ১৯৯৪ চন

মূল্য—৫৫'০০ টকা

তোমাৰ এষাৰি বাণী !

তোমাৰ কাষত আই,
নাই মোৰ অন্য অনুৰোধ
নাই একো বিশেষ প্ৰাৰ্থনা ;
নোখোজো আনকি তোমাৰ প্ৰসাদ,—
মৃত্যুৰ ফুলৰে জয়ী
মৃত্যুহীন সৈনিকৰ দৰে
তোমাৰ নিৰ্মালি যেন
জয় কৰি পাওঁ
তুমি মোক দিবা সেই আশীৰ্ব্বাদ ।

—শ্ৰীধনচন্দ্ৰ দাস

আইঁ। শ্ৰীবনলক্ষ্মী,

বহুদেৰী হ'ল এইয়া তোমাক দিয়া

জুইয়ে পোৰা অৰণ্যৰ মোৰ

এপাহি মল্লিকাফুল।

—ধনচন্দ্ৰ

কৃতজ্ঞতা প্ৰকাশ

মোৰ অৰণ্যৰ প্ৰথম মল্লিকাফুল ফুলি উঠিছিল—বিগত ইং ১৯৬৯ চনৰ ডিচেম্বৰ মাহত। পিচে, সেই ফুলৰ প্ৰথম, দ্বিতীয় তৃতীয় মৰচুম শেষ হৈ গ'ল ক্ৰমান্বয়ে যোৱা ইং ১৯৭১ চনৰ এপ্ৰিল ইং ১৯৭৪ চনৰ জুলাই, আৰু ইং ১৯৭৬ চনৰ জানুৱাৰী মাহত। এইবাৰ—এইয়া নতুন বৰ্ষা-সিক্ত বন মল্লিকাৰ চতুৰ্থ মৰচুম। প্ৰথম দ্বিতীয় আৰু তৃতীয় পুষ্প-ঋতুত দেশৰ যিসকল সাহিত্যানুৰাগীয়ে মোলৈ এই এপাহি মল্লিকা ফুলৰ গন্ধ সুৰভিৰ কথা লিখি মোক উৎসাহ-উদ্দীপনা যোগাইছে তেখেত-সকললৈ মোৰ অন্তৰৰ ধন্যবাদেৰে কৃতজ্ঞতা প্ৰকাশ কৰা ভিন্ন আৰু যে অন্য একোৱেই নাই

ইতি—ইং ৭।২।৭৬

GOVT. OF ASSAM
Call No.
DIRECTORATE

—আশীৰ্ব্বাদৰ শৰাইত আৰু তুপাহি

MEMBER OF PARLIAMENT
(LOK SABHA)

নতুন দিল্লী
২০ আগষ্ট' ৭০

শ্ৰদ্ধাভাজনেষু,

আপুনি 'মল্লিকাদামখন কেঁচিয়াবাট দিছিল—যদিও গা অসুস্থ থকা হেতুকে কিতাপখনৰ বিষয়ে একো লিখিব পৰা নাছিলোঁ। এতিয়াও গা সম্পূৰ্ণৰূপে ভাল পোৱা নাই যদিও অসুস্থ অৱস্থাতে আপোনাৰ উপন্যাসখন পঢ়িলোঁ। উপন্যাসখনৰ ৰচনা-কৌশলৰ ৰীতি সম্পূৰ্ণৰূপে নৈপুণ্য হাতৰ। সেইদৰে উপন্যাসখনৰ কাহিনী ভাগ জগতে চৰিত্ৰ-সজ্জা পোৱপটীয়া আৰু উপোনত ধৰণৰ হৈছে। আপোনাৰ সাহিত্যিক জীৱনৰ উন্নতি কামনা কৰি আজিলৈ সামৰিলোঁ।

শ্ৰদ্ধা জানিব। ইতি—
আপোনাৰ
—হেম বৰুৱা—

Jail Road
Jorhat-1
26. 4. 70

শ্ৰীমানেষু,

তোমাৰ চিঠি আৰু লগতে পঠোৱা উপন্যাসখন বং পালো। কিতাপখন মাজে মাজে পঢ়ি মই ভাল পাইছোঁ। নীৰস কামৰ মাজত তোমাৰ সাহিত্য-চৰ্চা অতি প্ৰশংসনীয়। আশা কৰোঁ তোমাৰ উদ্যম আৰু সাধনা সফল হব। ইতি—

শুভাকাংখী—
—কৃষ্ণকান্ত সন্দিকৈ—

০ প্ৰতিপদ

অনবৰত ধপ্-ধপ্ ধাপ্ ধাপ! অবিৰাম শান্তি নাই। ওচৰ-চুবুৰীয়াৰো আমনি লাগিছে চাগৈ। পুৰা ৭ বজাৰ পৰা ৰাতি ১০ বজালৈকে। অহা আহিছে—যোৱা গৈছে। দৰজা খোলা। ১০ বজাত কৰ্ম্মচাৰীসকলৰ দলবদ্ধ প্ৰৱেশ। পাঁচ বজাত দলবদ্ধ প্ৰস্থান। প্ৰেছৰ ভৰাৰ মুখত কত কেইখন বিক্ৰী। কেইখন ক'ৰ কি চাইকেল। সময় দুই এখন মটৰ! এটা কৰ্ম্মব্যস্ত অনুষ্ঠান।

লোহাৰ ক্লান্তিহীন ভুইলবোৰে ঘণ্টা-মিনিট-চেকেণ্ডৰ দৰে ঘূৰি আছে। অবিৰাম।

প্ৰেছ-কম্পজিটৰবোৰৰ ভিতৰত নিজ-নিজ শান্ত মনোযোগ। তাৰ ভিতৰতে ধপ্-ধপ্—ধুপ্-ধাপ্ শব্দ। মেছিনবোৰে সকলোৰে ওপৰত আধিপত্য বিস্তাৰ কৰি এটা অৰ্থহীন বক্তৃতা দি গৈ আছে। সুদীৰ্ঘ। এটা কোৰাছ।

প্ৰেছ-ঘৰটোৰ ওপৰ ভাগত আছে—এখন চাইন-বোৰ্ড, লিখা—নগাওঁ প্ৰেছ!

চলি আহি আছে ভালেমান বছৰ।

বোধকৰো চলি থাকিব আৰু ভালেমান বছৰো।

প্ৰেছ-ঘৰটোৰ খেৰবোৰ নাইকীয়া হৈছে মাজে মাজে। ঠিক দেখা যায় যেন ঠায়ে ঠায়ে চুলি সৰি নাইকীয়া হৈ যোৱা এজন বয়োবৃদ্ধ লোক।

আৰু কেটামান দিন বাট চোৱা য'কছোন।

নচলে। বৰষুণৰ আগে আগে কিবা এটা সুবিধা কৰিব নোৱাৰিলে দিগদাৰ কৰিব।

মাৰলিবোৰো ঘুণে ধৰিছে।

বেতৰ গাঁথিবোৰো মুখ মেলি মেলি আছে।

পুনৰ্নিৰ্ম্মাণ দৰকাৰ। অৱশ্যে লাগিব পাৰে বহু টকা।

এইবাৰ তুলসীনাৰায়ণ শৰ্ম্মাই তেওঁৰ প্ৰেছ'টো নতুনকৈ টীনৰে সজাৰ আকাঙ্ক্ষাতে, অস্থায়ীভাবে সজা খেৰৰ ছ'লি আদি ভঙোৱাই পেলালে। আনকি সম্পূৰ্ণ প্ৰেছটোকে ভাঙি চিন-চাব নাইকীয়া কৰি দিলে। প্ৰেছ-কৰ্ম্মচাৰীসকল এই দুৰ্দ্দিনৰ দিনত কিছুকাললৈ অৱসৰ গ্ৰহণ কৰিবলগীয়া হ'ল। অন্যান্য চাকৰিৰ কাৰণে অনুসন্ধানৰত হৈ ফুৰিলে। আৰু হয়তো কিছুমানে এনেয়ে বহি থাকিবলগীয়া হ'ল। প্ৰেছৰ মেছিন আৰু অন্যান্য সাজ-সৰঞ্জাম আদিও শৰ্ম্মা ডাঙৰীয়াই প্ৰেছৰ লগালগিকৈ থকা তেওঁৰ বাসঘৰৰ বাৰাণ্ডাই-ভিতৰে নি সংৰক্ষণ কৰিবলগীয়া হ'ল।

নতুন প্ৰেছ-ঘৰৰ কাৰণে তেখেতে অতি দ্ৰুত লগাই দিলে—কাঠমিস্ত্ৰী, ৰাজমিস্ত্ৰী, কুলি-যোগালি আদি। কাঠ, টীন আদি নতুন নতুন আহিলা-পাতিৰে চাওঁতে চাওঁতে প্ৰেছে এক নতুন ৰূপ লৈ জাক্-জমক হৈ জিলিকি উঠিল। প্ৰায় চাৰি মাহৰো অধিককাল কৰ্ম্মচাৰীসকল বহিবলগীয়াত পৰিল। এক শুভ দিন-বাৰ, তিথি নক্ষত্ৰাদি নোচোৱাকৈ তেওঁ মাঘমহা প্ৰেছৰ গৃহাৰম্ভ কৰাৰ দৰে প্ৰেছতো প্ৰৱেশ কৰিলে ধৰ্ম্মৰ কোনো এক নীতি-নিয়ম নোহোৱাকৈ।

অপেক্ষামান সেই প্ৰেছৰে-কৰ্ম্মচাৰী কিছুমান আকৌ কিৰি-আহিল—তেওঁৰ নৱনিৰ্ম্মিত প্ৰেছলৈকে। তাকৰ হোৱা আৰু কিছুজন